# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-11-2024
**Time :** 18-45 Hrs.

### *Assamese Evening Bulletin*

১।	অসম ৰাজ্যিক ৰাজহুৱা সেৱা অধিকাৰ আয়োগৰ কামকাজৰ শুভাৰম্ভ। এই আইনে নির্ভৰযোগ্যতা আৰু স্বচ্চতা বর্তাই ৰখাটো নিশ্চিত কৰিব বুলি মুখ্যমন্ত্রীৰ মন্তব্য।

২।	আই আই টি গুৱাহাটীত ভাৰত আন্তঃৰাষ্ট্রীয় বিজ্ঞান মহোৎসৱ আৰম্ভ। মহোৎসৱক জ্ঞান আহৰণৰ মঞ্চ হিচাপে ব্যৱহাৰ কৰিবলৈ শিক্ষার্থীসকললৈ মুখ্যমন্ত্রীৰ আহ্বান।

৩।	সর্প দংশন আৰু ইয়াৰ ফলত হোৱা মৃত্যুৰ বিষয়টো অধিসূচনা জাৰি কৰিবলগীয়া ৰোগ হিচাপে চিহ্নিত কৰিবলৈ কেন্দ্রীয় স্বাস্থ্য মন্ত্রালয়ৰ নির্দেশ।

৪।	গুৱাহাটীত ছিনিয়ৰ আন্তঃজিলা বক্সিং প্রতিযোগিতা আৰম্ভ। ***আৰু***

৫।	জম্মু-কাশ্মীৰত অনুষ্ঠিত চাব জুনিয়ৰ ৰাষ্ট্রীয় বেডমিণ্টন প্রতিযোগিতাত ল'ৰাৰ একক শাখাত অসমৰ অনিকেশ দত্তৰ খিতাপ অর্জন।

oooo

ৰাজ্যখনত নাগৰিককেন্দ্রিক সু-শাসন নিশ্চিত কৰাৰ উদ্দেশ্যে আজি মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই অসম ৰাজ্যিক ৰাজহুৱা সেৱা অধিকাৰ আয়োগৰ কাম-কাজ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মহানগৰীৰ শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্রত কিছুসময় পূর্বে মুখ্যমন্ত্রীয়ে এই আয়োগৰ কাম-কাজ শুভাৰম্ভ কৰে। নিজৰ ভাষণত মুখ্যমন্ত্রীয়ে কয়, যে এই আইনে নাগৰিকসকলৰ কল্যাণৰ বাবে নির্ধাৰিত সময়ত কাম-কাজ সম্পন্ন কৰাৰ লগতে নির্ভৰযোগ্যতা আৰু স্বচ্ছতা বর্তাই ৰখাটো নিশ্চিত কৰিব। আজিৰ দিনটো অসমৰ ইতিহাসৰ এটা উল্লেখযোগ্য দিন বুলি উল্লেখ কৰি তেওঁ আয়োগক এই ক্ষেত্রত সক্রিয় ভূমিকা গ্রহণ কৰিবলৈ আহ্বান জনায়।

***বাইট***

মুখ্যমন্ত্রীয়ে কয়, যে অসমৰ ৭২৫ টা সেৱা ৰাইজৰ অধিকাৰ বুলি ঘোষণা কৰা হৈছে। সেৱা সেঁতু পোর্টেলত এক কোটি ৫৬ লাখ আবেদন লাভ কৰা হৈছে বুলি উল্লেখ কৰি বর্তমানৰ চৰকাৰে এক কোটি ৪০ লাখ আবেদন নিষ্পত্তি কৰিছে বুলিও মুখ্যমন্ত্রীয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে, এই আয়োগৰ জৰিয়তে জনসাধাৰণক শীঘ্রে সেৱা প্রদান, স্বচ্ছতা আৰু দায়বদ্ধতা ৰক্ষা, অনলাইন আবেদনৰ ব্যৱস্থা, নাগৰিক সবলীকৰণ আৰু সু-শাসন প্রৱর্তনৰ লক্ষ্য স্থিৰ কৰা হৈছে।

আজিৰ উদ্বোধনী অনুষ্ঠানত অসম ৰাজ্যিক ৰাজহুৱা সেৱা অধিকাৰ আয়োগৰ নৱ নিযুক্ত মুখ্য আয়ুক্ত অৱসৰপ্রাপ্ত ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া ডঃ সুজয় লাল থাওছেন আৰু দুগৰাকী আয়ুক্ত ৰঞ্জন কুমাৰ চক্রৱর্তী আৰু বিমন চান্দ অছৱালেও অংশগ্রহণ কৰে।

০০০০

রাজ্যৰ বিভিন্ন জিলাত অহা ৩ ডিচেম্বৰৰ পৰা ৩ দিনীয়া কাৰ্যসূচীৰে তৃতীয় স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। ২০২২ বৰ্ষৰ পৰা বিদ্যালয়ৰ গুণোৎসৱৰ আৰ্হিত ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ সৰ্বাত্মক মূল্যায়নৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে। এই উৎসৱৰ সময়ছোৱাত জিলাসমূহৰ চিকিৎসালয়, স্বাস্থ্য কেন্দ্ৰ আদিৰ চিকিৎসা সেৱা আৰু আন্তঃগাথনি মূল্যায়ন কৰা হ'ব। কামৰূপ মহানগৰ জিলাৰ ৫৬ টা স্বাস্থ্য কেন্দ্ৰত এই কাৰ্যসূচী অনুষ্ঠিত হব। আজি কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ত এখন সংবাদমেলত জিলাখনৰ আয়ুক্ত সুমিত চট্টৰাজে এই বিষয়ে প্ৰকাশ কৰে। মহানগৰীৰ এখন জিলা চিকিৎসালয়, এটা সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, দুখন প্ৰাথমিক চিকিৎসা কেন্দ্ৰ আৰু ৪৭ টা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উপৰি ৫ টা উপ স্বাস্থ্য কেন্দ্ৰ আয়ুষ্মান আৰোগ্য মন্দিৰক সামৰি এই মূল্যায়ন কৰা হব। এগৰাকী প্ৰশাসনিক বিষয়া আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ এজন চিকিৎসকে ৰাজ্যিক মূল্যায়ক  হিচাপে স্বাস্থ্য কেন্দ্ৰসমূহ পৰিদৰ্শন কৰিব।

শিৱসাগৰ জিলাৰ মুঠ ৪৫ খন চিকিৎসালয়ত ৩ ডিচেম্বৰৰ পৰা স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব বুলি আজি জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালকে প্ৰকাশ কৰে। তেওঁ কয় যে, এই উৎসৱত স্বাস্থ্য সেৱাৰ আন্তঃগাথনি, পৰিষ্কাৰ পৰিচ্ছন্নতা, চিকিৎসালয়ত সংক্ৰমন নিয়ন্ত্ৰণ আৰু ৰোগীক প্ৰদান কৰা সেৱা মূল্যায়ন কৰা হ'ব। জিলাখনৰ  এখন চিকিৎসালয়, এখন মহকুমা চিকিৎসালয়, ৪ টা সামুহিক স্বাস্থ্য কেন্দ্ৰকে ধৰি ৪৫ টা স্বাস্থ্য সেৱা প্ৰতিষ্ঠানত এই মূল্যায়ন কৰা হ'ব। তিনিচুকীয়া জিলাৰ চাহ বাগিছা অঞ্চলৰ ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত স্থাপিত ১৭ খন চিকিৎসালয় আৰু ৫ টা আয়ুষ্মান আৰোগ্য মন্দিৰৰ লগতে কমেও ৫৫ খন চিকিৎসা প্ৰতিষ্ঠানত এই কাৰ্যসূচী লোৱা হ'ব। প্ৰতিটো স্বাস্থ্য কেন্দ্ৰত ৰোগীক স্বাস্থ্য সেৱা  প্ৰদানৰ উপযুক্ত সুবিধা আছে নে নাই সেই বিষয়ে চালি জাৰি  চোৱা হ'ব। বিদ্যালয়ৰ গুণোৎসৱৰ আৰ্হী ৰূপায়ণ কৰা এই স্বাস্থ্য সেৱা উৎসৱে ৰাজ্যৰ স্বাস্থ্য খণ্ডত ইতিবাচক পৰিৱৰ্তন আনিব বুলি আশা কৰা হৈছে। গোলাঘাট জিলাৰ ৭১ খন চৰকাৰী চিকিৎসালয়ত এই মূল্যায়ন কাৰ্যসূচী লোৱা হ'ব। চিকিৎসালয়সমূহৰ সা-সুবিধা সম্পৰ্কে ৪৮ গৰাকী বহিঃমূল্যায়নকাৰীয়ে মূল্যায়ন কৰিব। চৰাইদেউ জিলাত মুঠ ৩৮ টা চিকিৎসা প্ৰতিষ্ঠানত ৩ দিনীয়াকৈ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। জিলা স্বাস্থ্য বিভাগে আজি এই বিষয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। লখিমপুৰ জিলাত ৫২ খন চিকিৎসালয়ত ৩ ডিচেম্বৰৰ পৰা হ'বলগীয়া স্বাস্থ্য সেৱা উৎসৱৰ বাবে প্ৰস্তুতি চলিছে। এই কাৰ্যসূচীত ৫০ জন জিলা পৰ্যায়ৰ বিষয়া আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ১৭ গৰাকী চিকিৎসকে বহিঃমূল্যায়ক হিচাপে অংশ লব।

কোকৰাঝাৰ আৰু ওদালগুৰি জিলাতো স্বাস্থ্য সেৱা উৎসৱৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। ওদালগুৰি জিলাৰ ৫০ খন চিকিৎসালয়ত মূল্যায়ন কৰা হ'ব। প্ৰথমবাৰৰ বাবে জিলাখনৰ ১১ খন চাহ বাগিছাৰ চিকিৎসালয়ৰ এই মূল্যায়ন কৰা হ'ব।

নলবাৰী জিলাতো ৩ ডিচেম্বৰৰ পৰা ৫ ডিচেম্বৰলৈ স্বাস্থ্য সেৱা উৎসৱ আৰম্ভ হব। জিলাখনৰ ৫৮ খন বিভিন্ন পৰ্যায়ৰ চিকিৎসালয়ত এই কাৰ্যসূচী লোৱা হব। উৎসৱৰ প্ৰস্তুতি সম্পৰ্কে আজি জিলাখনৰ আয়ুক্ত বৰ্ণালী ডেকাই সবিশেষ প্ৰকাশ কৰে। তেওঁ কয় যে, ৩ ডিচেম্বৰত ২১ খন, ৪ ডিচেম্বৰত ১৯ খন আৰু ৫ ডিচেম্বৰত ১৮ খন চিকিৎসালয়ৰ মূল্যায়ন কৰা হ'ব। ইয়াৰ বাবে ৭৪ জন আন্তঃমূল্যায়ক আৰু ৭২ জন বহিঃমূল্যায়ক নিয়োগ কৰা হৈছে। দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ হাতশিঙিমাৰীত ১৭ টা স্বাস্থ্যকেন্দ্ৰত স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। হাতশিঙিমাৰী  জিলা চিকিৎসালয়কে ধৰি অন্য ১৬ টা স্বাস্থ্য কেন্দ্ৰত এই কাৰ্যসূচী লোৱা হ'ব। মৰিগাওঁ জিলাতো স্বাস্থ্য সেৱা উৎসৱ উদযাপনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই আজি সংবাদমেল যোগে এই বিষয়ে প্ৰকাশ কৰে।

০০০০

ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱত উপস্থিত  বিশেষজ্ঞসকলৰ পৰা যিমান পাৰে সিমান শিকিবলৈ অংশগ্ৰহণকাৰী শিক্ষাৰ্থীসকলক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। মহোৎসৱখনক শিকাৰ মঞ্চ হিচাপে ব্যৱহাৰ কৰিবলৈও মুখ্যমন্ত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞান আৰু ঔদ্যোগিক গৱেষণা পৰিষদ চি আই এছ আৰ, বিজ্ঞান প্ৰযুক্তি মন্ত্ৰালয় আৰু ভূ-বিজ্ঞান মন্ত্ৰালয়ৰ উদ্যোগত আজিৰ পৰা আৰম্ভ হোৱা আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে এই মহোৎসৱ আয়োজন কৰাৰ সুযোগ দিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰে।

*(বাইট)*

আজিৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰালয়ৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙৰ লগতে অৰুণাচল প্ৰদেশৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ মন্ত্ৰী দাছাংলু পুলু, নীতি আয়োগৰ সদস্য ড০ ভি কে সাৰস্বতকে ধৰি বহুকেইগৰাকী বিশিষ্ট বিজ্ঞানী উপস্থিত থাকে। কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ড০ সিঙে বিজ্ঞান আৰু প্ৰযুক্তিমূলক প্ৰদৰ্শনীখন উদ্বোধন কৰে। উল্লেখযোগ্য যে বিজ্ঞান আৰু প্ৰযুক্তিক মূল চালিকা শক্তিৰূপে লৈ ভাৰতক বিশ্বৰ অগ্ৰণী ৰাষ্ট্ৰলৈ ৰূপান্তৰৰ লক্ষ্যৰে অনুষ্ঠিত কৰা এইবাৰৰ দশম বাৰ্ষিক বিজ্ঞান মহোৎসৱত প্ৰায় ১২ হাজাৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে। এই আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ দুই ডিচেম্বৰত হ'বলগীয়া মত বিনিময় অনুষ্ঠানত ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ অধ্যক্ষ তথা বিশিষ্ট বিজ্ঞানী এছ সোমনাথ উপস্থিত থাকিব। অহা ৩ ডিচেম্বৰত এই মহোৎসৱৰ সামৰণি পৰিব।

oooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি কাহিলীপাৰাৰ সমগ্ৰ শিক্ষা অভিযান কাৰ্যালয়ত জ্ঞানৰ ই-কক্ষ মুকলি কৰে। ই-কক্ষ আছাম ইউটিউব চেনেলৰ জৰিয়তে বিদ্যালয়ৰ লগতে ঘৰৰ পৰাও শিক্ষাৰ্থীয়ে পাঠ গ্ৰহণ কৰিব পাৰিব বুলি শিক্ষা মন্ত্ৰী ডাঃ পেগুৱে প্ৰকাশ কৰে। শিক্ষা বিভাগৰ বিষয়া কৰ্মচাৰীসকলৰ উপস্থিতিত ই-কক্ষ মুকলি কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে লগতে কয় যে, প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ সকলো পাঠ্যক্ৰমৰ ভিডিঅ' পাঠদান এই ইউটিউব চেনেলত উপলব্ধ হ'ব। অভিজ্ঞ শিক্ষকসকলৰ দ্বাৰা  অসমীয়া ভাষাত সকলো পাঠৰ ভিডিঅ' প্ৰস্তুত কৰা হৈছে বুলি তেওঁ লগতে জানিবলৈ দিয়ে। শিক্ষামন্ত্ৰীগৰাকীয়ে পাঠৰ ভিডিঅ' প্ৰস্তুত কৰা শিক্ষকসকলক আজিৰ এই অনুষ্ঠানত মানপত্ৰ বিতৰণ কৰে।

oooo

তামুলপুৰ জিলাত তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনি ৰূপায়ণ সন্দৰ্ভত আলোচনাৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। জিলাখনৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত অনুষ্ঠিত এই সভাত আয়ুক্তগৰাকীয়ে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰি থকা হিতাধিকাৰীসকলেও তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ বাবে আবেদন কৰিব লাগিব বুলি মন্তব্য কৰে। নতুন হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰিবলৈ জিলাখনৰ প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত একোখন সমিতি গঠনৰ বাবেও সিদ্ধান্ত লোৱা হয়। জিলাখনৰ ৪৭০ টা ভোটগ্ৰহণ কেন্দ্ৰৰ প্ৰতিটোতে গাওঁসভা অনুষ্ঠিত কৰাৰ উপৰি ১৬ ৰ পৰা ২১ ডিচেম্বৰলৈ পালন কৰিবলগীয়া অৰুণোদয় সপ্তাহৰ সময়ছোৱাতো গাওঁসভা অনুষ্ঠিত কৰিব লাগিব বুলি এই বৈঠকত উল্লেখ কৰা হয়। তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ দ্বাৰা এইবাৰ জিলাখনৰ ৫৯ হাজাৰ হিতাধিকাৰী সামৰি লোৱাৰ লক্ষ্য স্থিৰ কৰা হৈছে বুলি আয়ুক্তগৰাকীয়ে সভাত প্ৰকাশ কৰে।

oooo

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আজিৰ পৰা অসমী চৰচ মেলা অনুষ্ঠিত হৈছে। অহা ১৫ ডিচেম্বৰত সামৰণি পৰিবলগীয়া এই মেলাত ৰাজ্যখনৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ আত্মসহায়ক গোটসমূহৰ দ্বাৰা উৎপাদিত হস্ততাত বস্ত্ৰশিল্প, অন্যান্য খলুৱা সামগ্ৰী আৰু জনগোষ্ঠীয় খাদ্যসম্ভাৰ উপলব্ধ হৈছে। এই মেলাত ৰাজ্যখনৰ প্ৰতিখন জিলাৰ পৰা অহা আত্মসহায়ক গোটৰ মহিলা আৰু ২৬ খন ৰাজ্যৰ পৰা অহা প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। চৰচ মেলাৰ লগত সংগতি ৰাখি আজি সমূহীয়া দৌৰ কাৰ্যসূচী অনুষ্ঠিত হয়। সাঁতোৰবিদ এলভিছ্ আলী হাজৰিকা আৰু এথলীট হিমা দাসে এই সমূহীয়া দৌৰৰ  ফ্লেগ অফ কৰে। উল্লেখযোগ্য যে এই মেলা প্ৰতিদিনে দিনৰ ১০ বজাৰ পৰা নিশা ৯ বজালৈ খোলা থাকিব। এই মেলাৰ জৰিয়তে জনসাধাৰণে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ লগতে দেশৰ ভিন ভিন জনগোষ্ঠীৰ চহকী হস্তশিল্প আৰু পৰম্পৰাগত সামগ্ৰী লাভ কৰিব পাৰিব।

০০০০

আকাশবাণী গুৱাহাটীৰ এফ এম ৰেণুৰ ১০০ দশমিক ৮ মেগাহাৰ্টজত, বিবিধ ভাৰতী চেনেলৰ পৰা প্ৰচাৰিত দিনৰ আৰু সন্ধিয়াৰ মুখ্য বাতৰিৰ সময়সূচী সামান্য সালসলনি ঘটোৱা হৈছে। এই অনুসৰি দিনৰ ১০ বাজি ১৫ মিনিটত প্ৰচাৰিত মুখ্য বাতৰি সেইদিনাৰ পৰা পুৱা ৭ বাজি ২৮ মিনিটত আৰু সন্ধিয়া ৬ বাজি ১৫ মিনিটত প্ৰচাৰিত মুখ্য বাতৰি নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰ কৰা হ'ব।

০০০০

শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত আজি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰেৰণাদায়ক ভাষণ আৰু কেৰিয়াৰ পৰিকল্পনা সন্দৰ্ভত বিশেষ অনুষ্ঠান আয়োজিত হয়। এই অনুষ্ঠানত অসম লোকসেৱা আয়োগৰ অধ্যক্ষ ভাৰত ভূষণ দেৱচৌধুৰী উপস্থিত থাকে। অধ্যক্ষ শ্ৰী চৌধুৰীয়ে শিক্ষাৰ্থীসকলক চৰকাৰী সেৱাৰ সুযোগ আৰু পৰিশ্ৰমৰ গুৰুত্বৰ ওপৰত জোৰ দিয়ে।

০০০০

চৰাইদেউ জিলাৰ দ'লবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ শুভ্ৰনীল সন্দিকৈ আৰু ছাত্ৰ শিৱানী গগৈসহ শিক্ষক আব্দুল মালিকৰ দলটোৱে হাৰিয়ানাত ১৬ ডিচেম্বৰৰ পৰা হ'বলগীয়া ৫১ সংখ্যক ৰাষ্ট্ৰীয় শিক্ষ বৈজ্ঞানিক প্ৰদৰ্শনী প্ৰতিযোগিতাত ৰাজ্যখনক প্ৰতিনিধিত্ব কৰিব। চৰাইদেউ জিলা প্ৰশাসনৰ তৰফৰ পৰা আজি ৰাষ্ট্ৰীয় পৰ্যায়ত  প্ৰতিনিধিত্ব কৰিবলগীয়া দলটোক সম্বৰ্ধনা আৰু অভিনন্দন জনোৱা হয়।

০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ সাপ্তাহিক দৃষ্টিপাত অনুষ্ঠানত আজি নিশা আঠ বাজি দুই মিনিটত সংবিধান দিৱস বিষয়ক এটা অনুষ্ঠানৰ প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ভাৰতীয়  সংবিধানৰ গুৰুত্ব আৰু নাগৰিকৰ কৰ্তব্য আৰু অধিকাৰ সম্পৰ্কত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা আৰু সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে মতামত ব্যক্ত কৰিব। অনুষ্ঠানটি প্ৰযোজনা কৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

০০০

অসম বক্সিং সন্থাৰ উদ্যোগত গুৱাহাটীৰ ছাই উপকেন্দ্ৰত আজি ৪৪ সংখ্যক আন্তঃজিলা ছিনিয়ৰ বক্সিং প্ৰতিযোগিতা উদ্বোধন কৰা হয়। খেলসমূহ শুকুৰবাৰৰ পৰা অনুষ্ঠিত হৈছে যদিও প্ৰতিযোগিতাখন আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। প্ৰতিযোগিতাত পুৰুষ আৰু মহিলাৰ উভয় শাখাৰে ১০টা ওজন শাখাৰ খেল অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাখনত ৩০ খন জিলাৰ

১৫০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। এইখন প্ৰতিযোগিতাৰ পৰাই অহা বছৰ জানুৱাৰীত উত্তৰাখণ্ডত হ'বলগীয়া ছিনিয়ৰ ৰাষ্ট্ৰীয় বক্সিং প্ৰতিযোগিতাৰ বাবে খেলুৱৈ বাচনি কৰা হ'ব।

ooo

অসমৰ অনিকেশ দত্তই জম্মু-কাশ্মীৰত অনুষ্ঠিত ৩৬ সংখ্যক চাব জুনিয়ৰ ৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত ল'ৰাৰ একক শাখাত চেম্পিয়নৰ সন্মান অৰ্জন কৰিছে। আজি অনুষ্ঠিত ফাইনেলত অনিকেশে ৰাজস্থানৰ সাতৱিক আগৰৱালাক ২১-১৭, ২১-৭ত পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে। আনহাতে ১৩ বছৰ অনুৰ্ধৰ ছোৱালীৰ একক শাখাত অসমৰ বেদাগ্নি গগৈ ৰানাৰ্ছ আপতে ক্ষান্ত থাকিবলগীয়া হয়। ফাইনেলত বেদাগ্নি তেলেংগানাৰ হামছিনি চাদৰামৰ বিৰুদ্ধে পৰাজিত হয়। মুখ্যমন্ত্ৰী তথা অসম বেডমিণ্টন সন্থাৰ সভাপতি হিমন্ত বিশ্ব শৰ্মা আৰু সম্পাদক ওমৰ ৰছিদে দুয়োগৰাকী খেলুৱৈক শুভেচ্ছা জ্ঞাপন কৰে।

oooo

সমাপ্ত